# মিৰোশ্লাভ হ’লুবৰ কবিতা

## অনুবাদ: ড° বিৰিঞ্চি কুমাৰ দাস

### সহায়ৰ হাত

আমি ঘাঁহলৈ আগ বঢ়াইছিলোঁ সহায়ৰ হাত --
আৰু ই পৰিণত হৈছিল শইচৰ দানাত।
আমি সহায়ৰ হাত আগ বঢ়াইছিলোঁ জুইলৈ --
আৰু ই ৰূপান্তৰিত হৈছিল ৰকেটলৈ।
ইতস্ততঃভাবে,
সতৰ্কতাৰে,
আমি সহায়ৰ হাত আগ বঢ়াই থাকো
মানুহলৈ,
কিছুমান মানুহলৈ...

*মূল কবিতা:* 'A Helping Hand'

### দুৱাৰখন

যোৱা, খুলি দিয়া দুৱাৰখন।
বাহিৰত হয়তো আছে
এডাল গছ, অথবা এখন বননি,
এখন বাগিচা,
অথবা এখন যাদুনগৰী।

যোৱা, খুলি দিয়া দুৱাৰখন।
কিজানি এটা কুকুৰে খুচৰি আছে আৱৰ্জনা।
কিজানি তুমি দেখিবা এখন মুখ,
অথবা এটা চকু,
অথবা এখন ছবিৰ
ছবি।

যোৱা, খুলি দিয়া দুৱাৰখন।
আছে যদি কুঁৱলী
আঁতৰি যাব।

যোৱা, খুলি দিয়া দুৱাৰখন।
যদিওবা হয়তো তাত কেৱল
টিকটিকাই আছে অন্ধকাৰে
যদিওবা হয়তো তাত কেৱল
শূন্যগৰ্ভ বতাহ,
যদিওবা হয়তো

একোৱেই নাই
তাত,
যোৱা, খুলি দিয়া দুৱাৰখন।

অন্ততঃ
তাত থাকিব
এছাটি হাড় কঁপোৱা বতাহ।

*মূল কবিতা*: 'The Door'

**কবি পৰিচিতি**: ১৯২৩ চনৰ ১৩ ছেপ্টেম্বৰত জন্মলাভ কৰা মিৰোশ্বাভ হ'লুব হ'ল চেক গণৰাজ্যৰ এগৰাকী কবি। এগৰাকী বিজ্ঞানী হিচাপেও প্ৰসিদ্ধি লাভ কৰা হ'লুবৰ প্ৰথমখন কাব্যগ্ৰন্থ হৈছে চেক ভাষাত লিখিত *ডেনী শ্লুঝবা*(১৯৫৮)। ত্ৰিছটা ভাষালৈ নিজৰ সৃষ্টিসমূহ অনুদিত হোৱা হ'লুবে নিজৰ দেশত বিশেষ খ্যাতি অৰ্জন নকৰিলেও বিশ্বজুৰি প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ আন কেইখনমান কাব্যগ্ৰন্থ হৈছে *নোটছ অৱ এ ক্লে পীজন*(১৯৭৭); *দ্য ফ্লাই*(১৯৮৭); *ইন্টেন্সিভ কেয়াৰ: ছিলেক্টেড এণ্ড নিউ পয়েমছ*(১৯৯৬); *শ্বেডিং লাইফ : ডিজিজ, পলিটিক্স এণ্ড আডাৰ হিউমেন কণ্ডিশ্যনছ*(১৯৯৭) ইত্যাদি। ১৯৯৮ চনৰ ১৪ জুলাইত হ'লুবৰ মৃত্যু ঘটে।